بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## বাৎসৰিক জলছাৰ কৰ্মীবৃন্দ আৰু অতিথি সকলৈ কিছু নচীহত

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৬ জুলাই ২০২৪ চনত হাদিকাতুল মাহেদিৰ জলছা ময়দান (বৃটেইনত)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আল্লাহ তা'লাৰ কৃপাত আজিৰ পৰা বৃটেইনৰ বাৎসৰিক জলছা আৰম্ভ হ'বলৈ লৈছে আৰু হেজাৰ হেজাৰ মানুহ ইয়াৰে দ্বীনি আৰু আধ্যাত্মিক পৰিবেশৰ পৰা লাভ আহৰণ কৰিবলৈ আহি উপস্থিত হৈছে। এই কেইটা দিনৰ বাবে হাদীকাতুল মাহদীত এটা অস্থায়ী চহৰ বনাই লোৱা হৈছে যাতে ইয়াৰ পৰিৰেশত থাকি আমি পাৰ্থিৱ সমস্যা আদি পাহৰি নিজৰ নিজৰ আধ্যাত্মিক, চাৰিত্ৰিক অৱস্থা উন্নত কৰিবলৈ চেষ্টা কৰিব পাৰো। গতিকে এনেকুৱা পৰিস্থিতিত সুবিধা বুজি এই চিন্তা কৰিব লাগিব যে কেনেকৈ আমি এই আধ্যাত্মিক পৰিবেশৰ পৰা বেছি বেছি কল্যাণ লভিব পাৰো। কিন্তু যিয়েই নহওঁক মানুহৰ অভাৱ অভিযোগ সদায় থাকিয়ে যায় সেয়ে ব্যৱস্থাপনাৰ ফালৰ পৰা মানুহৰ সুবিধাৰ্থে যৎপৰনাস্তি চেষ্টা কৰা হৈ আছে আৰু এই উদ্দেশ্যে বিভিন্ন বিভাগ সমূহ জলছাৰ দিনবোৰৰ বাবে প্ৰতিষ্ঠা কৰা হৈছে। শ শ কৰ্মীবৃন্দ,স্বেচ্ছাকৰ্মী হিচাপে হজৰত মছীহ মাওউদ (আঃ)ৰ অতিথি সকলৰ সেৱা কৰিবলৈ যত্নপৰ হৈছে।

জলছাৰ কাৰ্যক্ৰমনিকাত মই সৰ্বপ্ৰথমে সকলো কৰ্মীবৃন্দক এই ফালে মনোযোগ আকৰ্ষণ কৰিব বিচাৰো যে তেওঁলোকে যেন নিজৰ নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ চেষ্টা কৰে। জলছাৰ অতিথি সকলক হজৰত মছীহ মাওউদ (আঃ)ৰ অতিথি ভাৱি সেয়া আগবঢ়াই যাওঁক। অতিথি বৃন্দৰ ফালৰ পৰা যদি আপোনাৰ ধাৰণা অনুযায়ী কোনো ধৰণৰ অবঞ্চিত কৰ্ম কাণ্ড সংঘটিত কৰা দেখা পায়, তেন্তে সেয়া নিজে নিজে আহকাণ কৰি যাওঁক। আল্লাহ তা'লাৰ কৃপাত প্ৰত্যেক দেশত অতিথি পৰায়ণতা আৰু উত্তম আদৰ্শ প্ৰদৰ্শন কৰাটো জামাত আহমদীয়াৰ এটা অনন্য নৈতিক আদৰ্শ হিচাপে গঢ় লৈ উঠিছে। হজৰত মছীহ

মাওউদ (আঃ)য়ে কৈছে যে অতিথি সকলৰ হৃদয় আয়নাৰ দৰে আৰু স্পৰ্শকাতৰ তেওঁলোকৰ প্ৰতি দৃষ্টি ৰাখিব লাগিব। ইয়ালৈ অহা বেছিভাগ আহমদীয়ে এয়া ভালদৰে জানে যে তাতে নানা ধৰণৰ অসুবিধা আৰু কষ্টৰ সন্মুখীন হ'ব লাগিব। কিছুমান অতিথি আছে যিসকলে এতিয়াও আহমদীয়ত গ্ৰহণ কৰা নাই, তেওঁলোকৰ আৰু বেছি যত্ন ল'ব লাগিব। সকলো বিভাগ যেনে যান-বাহনৰ বিভাগ পাৰ্কিং বিভাগ, আহাৰ বিতৰণকাৰী বিভাগ, ছাফাই বিভাগ, পানী যোগান ধৰা বিভাগ ইত্যাদি প্ৰত্যেক বিভাগেই যিমানদুৰ সম্ভৱ অতিথি সকলৰ অসুবিধা, কষ্ট যাতে কোনো প্ৰকাৰে নহয় তালৈ দৃষ্টি ৰাখি নিজৰ নিজৰ কাম সম্পন্ন কৰিব লাগিব।

অতিথি বৃন্দক মই ক'ব বিচাৰো যে আপোনালোকে এটা পাক পৱিত্ৰ উদ্দেশ্য সাধনাৰ্থে হজৰত মচীহ মাওউদ (আঃ)ৰ অতিথি হিচাপে ইয়ালৈ আহিছে। গতিকে জাগতিক সন্মান আৰু জাগতিক সেৱা আদিৰ সলনি এই উত্তম চৰিত্ৰৰ ক্ষেত্ৰত বেছি উন্নতি কৰাৰ ফালে মনোযোগ দিব কাৰণ এয়াই এজন প্ৰকৃত মুছলমানৰ বিশেষ বৈশিষ্ট। খোদা তা'লাৰ নিমিত্তে ভ্ৰমণ কৰি অহা সকলে পাৰ্থিৱ সুখ, আৰাম আদিৰ ফালে খুব কমেই মনোযোগ দি থাকে। যিয়েই নহওঁক মাজে সময়ে ব্যৱস্থাপনাৰ ফালৰ পৰাও কিবা কিবি দুৰ্বলতা প্ৰকাশ পাব পাৰে, অতিথি সকলে সেয়া ধৰি থাকিব নালাগে। যদি ইয়াতে অহা প্ৰত্যেক জন আহমদীৰ অন্তৰত এয়া ধাৰণা উপজে যে আমি ইয়াতে অহাৰ একমাত্ৰ উদ্দেশ্য হ'ল আধ্যাত্মিক ভোকৰ নিবাৰণ কৰা তেন্তে অতিথি আৰু আলপৈচানকাৰী দুয়োৰে প্ৰেম ভালপোৱাৰ মাজেৰে এই দিনকেইটা পাৰ হৈ যাব।

পৰিচালক বিভাগে সকলো অতিথিৰ সৈতে একে সমান আচাৰ-আচৰণ প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰা উচিত। যিয়েই নহওঁক তথাপি কোনো কোনো সময়ত কোনো ক্ষেত্ৰত কম বেছি হৈ যায়, সেয়া অতিথি সকলে আওকাণ কৰি দিয়া উচিত। হজৰত মছীহ মাওউদ (আঃ)য়ে অতিথি সকলক বৰ সন্মান কৰিছিল আৰু কৈছিল যে আপোনালোকৰ প্ৰয়োজনীয়তা সম্পৰ্কে আমাক জনাব, আমি সেয়া পূৰ্ণ কৰিবলৈ চেষ্টা কৰিম। কিন্তু এয়া সাধাৰণ পৰিস্থিতিত ঘটি থকা কথা। জলছাৰ অতিথি সকলক তেখেত (আঃ)য়ে কৈছিল যে এটাই আৰু  একে ব্যৱস্থা কৰা হওঁক আৰু প্ৰত্যেক অতিথিক সেই দৰেই সেৱা আগবঢ়োৱা যাওঁক যি এটা ব্যৱস্থাৰ অধীনত হৈ থাকে।

হজৰত মছীহ মাওউদ (আঃ)য়ে অতিথি সকলৰ মগজুত এই কথাখিনি ভালদৰে সুমুৱাই দিছিল যে তেওঁলোকে জলছালৈ অহাৰ প্ৰধান উদ্দেশ্য হ'ল দ্বীন শিকি লোৱা আৰু নিজৰ মন, মগজু পাক কৰি লোৱা; আৰু আল্লাহ তা'লাৰ নৈকট্য লাভৰ লক্ষ্যস্থল ভেদ কৰিবলৈ চেষ্টা কৰা। গতিকে এয়াই হ'ল আচল উদ্দেশ্য, যাৰ বাবে আপোনালোকে প্ৰত্যেক বছৰ ইয়াতে আহি জমা হৈ থাকে। জলছাৰ ময়দানত বহি জলছাৰ প্ৰোগ্ৰাম আৰু ভাষণ সমূহ মনোযোগ দি শুনিব আৰু তাৰ পৰা লাভ আহৰণৰ চেষ্টা কৰিব।

হজৰত মছীহ মাওউদ (আঃ)ক আল্লাহ তা'লা নিজৰ কৃপাৰে সেই জামাত প্ৰদান কৰিছে যি জামাতে আজি দেশ, সম্প্ৰদায় আদিৰ সীমা পাৰ কৰি ফিৰকাবন্ধী শেষ কৰিবলৈ লৈছে আৰু এই মহান ভাতৃত্ববন্ধনৰ ভিত্তি স্থাপন কৰিবলৈ আৰম্ভ কৰিছে। তেখেত (আঃ)য়ে জলছাৰ আন এটা উদ্দেশ্য এয়াও বৰ্ণনা কৰিছে যে জামাতৰ সম্পৰ্ক ভাইচাৰাৰ ওপৰত যেন প্ৰতিষ্ঠিত হয়। ইয়াৰ বাবে পাৰস্পৰিক প্ৰেম ভালপোৱা, মিলজুল যেন বৃদ্ধি পায়। কিন্তু মোমিন সকলৰ বাবে নিজৰ সময়খিনি শুদ্ধ ভাৱে কামত লগোৱাটো বিশেষ প্ৰয়োজন আছে। গতিকে জলছাৰ দিনটোৰ সকলো প্ৰোগ্ৰাম শুনাৰ পিছত সময় পালে সকলোৱে মিলিজুলি বহি মনৰ ভাৱ আদান-প্ৰদান কৰিব লাগে, ইয়াৰ দ্বাৰা ভাল সম্পৰ্ক গঢ়ি উঠিব। কিন্তু এই ক্ষেত্ৰত ইমান ব্যস্ত নহ'ব যে সময় অপচয় হৈ যায়।

যিহেতু ইমান ডাঙৰ সংখ্যক মানুহ এঠাইত জমা হৈছে, গতিকে ইয়াতে হঠাতে কিবা তৰ্ক-বিতৰ্ক

হ’বও পাৰে, গতিকে মনত ৰাখিব যে প্ৰকৃত মোমিন যিজন তেওঁ নিজৰ ক্ৰোধ নিয়ন্ত্ৰণ কৰিব পাৰে। গতিকে জলছাৰ পৰিৱেশৰ পৱিত্ৰতা আগত ৰাখি আৰু পাৰস্পৰিক ভুল ত্ৰুটি মাৰ্জনাৰে চলি থাকিব। যদি কোনো কৰ্মীৰ ফালৰ পৰা কোনো ভুল সংঘটিত হয় তেন্তে তাক বৎৰ্সনা নকৰি শুদ্ধ পথত উৎসাহিত কৰিব লাগিব আৰু ধৈৰ্যৰ সৈতে ক্ষমা প্ৰদৰ্শন কৰিব লাগিব। যদি ধৈৰ্য ধাৰণৰ মানসিকতা জন্ম লয় তেন্তে সকলো ধৰণৰ কাজিয়া-বিবাদৰ অন্ত পৰিব। গতিকে অতিথি আৰু কৰ্মৰত সকল দুয়োকে জনাও যে তেওঁলোকে যেন ধৈৰ্যৰ বান্ধোনত আবদ্ধ থাকে।

হজৰত মছীহ মাওউদ (আঃ)ৰ ইচ্ছানুযায়ী এয়া চেষ্টা কৰা উচিত যে ভ্ৰাতৃত্ববোধ আৰু পাৰস্পৰিক প্ৰেম ভালপোৱাৰ দৃষ্টান্ত স্থাপিত হয়। এয়াই আল্লাহ তা’লা মোমিন সকলৰ বাবে নিৰ্দেশ দিছে। গতিকে সৰু সৰু কথাত লাগি থকাতকৈ নিজৰ জীৱনৰ উদ্দেশ্য সফল কৰাৰ চেষ্টা কৰা উচিত। যিবোৰ ৰুকু আৰু ছিজদাৰ আৰু ইবাদতৰ দ্বাৰা অৰ্জিত হয় আৰু জিকৰে ইলাহিৰ জৰিয়তে অৰ্জন কৰি পৰা যায়। প্ৰত্যেক জন অতিথি যিসকলে ইয়াত আহিছে তেওঁলোকৰ ভ্ৰমণ মাত্ৰ কেৱল আল্লাহৰ বাবে হোৱাৰ চেষ্টা কৰা উচিত। কৰ্মীবৃন্দ আৰু অতিথি সকলোৱে মনত ৰখা উচিত যে কিছুমান অ-আহমদী আৰু অমুছলিম ভাই ইয়াতে আহিছে, যদি তেওঁলোকৰ আগত উত্তম আদৰ্শ প্ৰদৰ্শন কৰা হয় তেন্তে এয়া মৌন তবলিগৰ কাম হ’ব আৰু এই কাৰ্যই তেওঁলোকৰ ওপৰত শক্তিশালী প্ৰভাৱ পেলাব। এনেদৰে কাম কৰিলে তেওঁলোকৰও ইছলামৰ প্ৰতি মনোযোগ আকৰ্ষিত হ’ব; লগতে তেওঁলোক ইছলামী শিক্ষাৰ গুণাৱলীত প্ৰভাৱিত হ’ব।

এটা প্ৰয়োজনীয় বস্তু হ’ল এয়া যে ইয়াতে অহা সকলে এজনে আন জনক ছালাম দিয়াৰ ৰীতি-নীতি প্ৰতিষ্ঠা কৰিব। এয়া বৰকতপূৰ্ণ আৰু পাক দোৱা আমাক শিকোৱা হৈছে। যেতিয়া আলপৈচানকাৰী আৰু অতিথিয়ে এজনে আনজনক ছালাম কৰিব তেতিয়া সকলোৱে সকলো ধৰণৰ চিন্তা, ভয় ভীতিৰ পৰা মুক্ত থাকিব আৰু তাতে এই দোৱাই পৰপস্পৰক কল্যাণমণ্ডিত কৰিব। গতিকে এইফালে দুয়ো পক্ষই বেছি বেছি মনোযোগ দিব যাতে আমি সকলো ফালে শান্তি, মৰম চেনেহ, বিস্তাৰ কৰোঁতা হ’ব পাৰো আৰু এই পৰিৱেশ যেন আল্লাহ প্ৰেম আৰু ভ্ৰাতৃত্ববোধৰ পৰিৱেশ হয়। আমি এয়া চেষ্টা কৰা উচিত যে আমাৰ সকলো উদ্দেশ্য যেন নিজকে পাক কৰোঁতা হয়। এই দিন চেৰেকত এটা নৱ জাগৰণ জীৱনৰ মাজত যেন আনয়ণ কৰাৰ চেষ্টা কৰা হয়। আঁহজৰত (ছাঃ)য়ে কৈছে যে ছালামৰ ৰীতি স্থাপন কৰক, তোমালোকে অপৰিচিত জনকও ছালাম দিয়া কৰিবা।

হজৰত মছীহ মাওউদ (আঃ)ৰ ঘটনা ইয়াতে বৰ্ণনা কৰি দিছো মুছলমান আৰু ঈছাই সকলৰ মাজত সংঘটিত হোৱা জঙ্গে মুকদ্দছত অনুষ্ঠিত হোৱা মুবাহিছাত যি ঠাইত হজৰত মছীহ মাওউদ (আঃ)য়ে অৱস্থান কৰিছিল তাতে অতিথি সকলৰ সমাগমৰ কাৰণে ব্যৱস্থাপনাৰ ফালৰ পৰা তেখেত (আঃ)ৰ বাবে খাদ্য ৰাখিবলৈ পাহৰি যায়। ৰাতি এভাগ পাৰ হৈ গৈছিল তাৰ পিছত তেখেত (আঃ)য়ে ৰাতিৰ আহাৰৰ কথা সুধাত পৰিচালক সকলে স্তম্ভিত হৈ পৰে যে বহুত দেৰি হৈ গৈছে তেখেত (আঃ)ৰ বাবে খাদ্যৰ ব্যৱস্থা কৰা হোৱা নাই, বজাৰও বন্ধ হৈ গৈছে। এই পৰিস্থিতি সম্পৰ্কে যেতিয়া হজৰত মছীহ মাওউদ (আঃ)য়ে গম পাইছিল তেতিয়া তেখেত (আঃ)য়ে কৈছিল যে এনেদৰে চিন্তা কৰাৰ কি প্ৰয়োজন আছে? দস্তৰ খানাত চোৱা যিবোৰ ৰুটিৰ টুকুৰা আছে সেয়াই লৈ আনা, সেয়াই হৈ যাব। যেতিয়া দস্তৰ খানাত বিচৰা হৈছিল মাত্ৰ কেইটামান ৰুটিৰ টুকুৰা পোৱা গৈছিল আঞ্জা আদি একোৱে নাছিল। তেখেত (আঃ)য়ে তাকেই ৰাতিৰ আহাৰ হিচাপে খাই লৈছিল। আঁহজৰত (ছাঃ)ৰ আটাইতকৈ ডাঙৰ প্ৰেমিক আৰু তেখেত (ছাঃ)ৰ ছুন্নতৰ ওপৰত আমল কৰোঁতা হজৰত মছীহ মাওউদ (আঃ)ৰ এয়াই আছিল আদৰ্শ। গতিকে আমি যিসকলে তেখেত (আঃ)ৰ জামাতৰ অন্তৰ্ভুক্ত হোৱাৰ দাবী কৰো এনে ধৈৰ্য ধাৰণ কৰাৰ ছবি প্ৰদৰ্শন কৰাৰ অত্যন্ত

প্ৰয়োজন আছে।

মই এই বিষয়েও মনোযোগ আকৰ্ষণ কৰিব বিচাৰিছো যে জলছাৰ দিন কেইটাত বিভিন্ন ধৰণৰ প্ৰদৰ্শণী মূলক ষ্টল লগোৱা হৈছে সেইবোৰ চাবলৈ সময় উলিয়াব। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে ইউৰোপলৈ অহাৰ এশ বছৰ পূৰ্ণ হ'বলৈ লৈছে অৰ্থাৎ এই বছৰটোত এশ বছৰ পূৰ্ণ হ'ব। সেয়ে বৃটেইনৰ জামাতে মৰকজৰ অনুমতি সাপেক্ষে বিভন্নি ছবিৰ প্ৰদৰ্শনমূলক ষ্টল লগোৱাইছে, অতিথি সকলে সেইবোৰ দেখিব। এনেদৰে আৰু প্ৰদৰ্শণী ষ্টল আছে, সেইবোৰ দৰ্শন কৰিব। এনেয়ে সময় নষ্ট কৰাতকৈ এই প্ৰদৰ্শণীবোৰ চাবলৈ চেষ্টা কৰিব। এই দিনটেইটাত ছেকেউৰিটি সকলৰ ফালে অলপ দৃষ্টি ৰাখিব আটাইতকৈ বেছি ছেকিউৰিটি ব্যৱস্থা আমাৰ ইয়াতে কৰা হৈছে। গতিকে চাৰিওফালে দৃষ্টি ৰাখি চলিব। কিন্তু আটাইতকৈ ডাঙৰ অস্ত্ৰ আমাৰ ওচৰত হ'ল আল্লাহ তা'লাৰ আশ্ৰয়; আৰু এই আশ্ৰয় লাভ কৰিবলৈ বিশেষকৈ এই তিনিটা দিনত দোৱা আৰু জিকৰে ইলাহিৰ প্ৰতি মনোযোগ দিব লাগিব আল্লাহ তা'লা সকলোকে ইয়াৰ বাবে তৌফিক দান কৰক আৰু এই জলছা প্ৰত্যেকৰ বাবে বৰকতময় হওঁক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهُ وَنَشْهَدُ أَنْ لَّآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمکم اللّٰه اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 26 JULY 2024**

**BOOK POST (PRINTED MATTER)**

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844**

অনুবাদক : শ্বাহজাহান আলি চাহাব মুৰাব্বিম ছিলছিলা